আল্লাহৰ বাণী: (অর্থ) “তোমালোকে কেতিয়াও তোমালোকৰ উপাস্যসকলক বৰ্জন নকৰিবা, লগতে পৰিত্যাগ নকৰিবা অদ্দ, ছুৱাআ, ইয়াগুছ, ইয়াউক্ব আৰু নাছৰক।” ইবনু আব্বাছ ৰাদ্বিয়াল্লাহু ‘আনহুমাই এই বিষয়ে কৈছেঃ এইবোৰ হৈছে নূহ সম্প্রদায়ৰ পূণ্যৱান লোকসকলৰ নাম।

ইবনু আব্বাছ ৰাদিয়াল্লাহ আনহুমাৰ পৰা বৰ্ণিত, “আল্লাহৰ বাণী: (অর্থ) “তোমালোকে কেতিয়াও তোমালোকৰ উপাস্যসকলক বৰ্জন নকৰিবা, লগতে পৰিত্যাগ নকৰিবা অদ্দ, ছুৱাআ, ইয়াগুছ, ইয়াউক্ব আৰু নাছৰক।” ইবনু আব্বাছ ৰাদ্বিয়াল্লাহু ‘আনহুমাই এই বিষয়ে কৈছেঃ এইবোৰ হৈছে নূহ সম্প্রদায়ৰ পূণ্যৱান লোকসকলৰ নাম। এই লোকসকল মৃত্যুবৰণ কৰাৰ পিছত চয়তানে তেওঁলোকৰ সম্প্ৰদায়ক বুদ্ধি দিলে যে, তোমালোকে তেওঁলোকৰ বৈঠকৰ
স্থানত মূৰ্ত্তি নিৰ্মাণ কৰা আৰু সেইবোৰক তেওঁলোকৰ নামেৰে নামকৰণ কৰা। সিহঁতে সেইটোৱে কৰিলে, কিন্তু উপাসনা কৰা নাছিল। কিন্তু যেতিয়া এই লোকসকল মৃত্যুবৰণ
কৰিলে আৰু ইল্ম পাহৰি গ’ল তেতিয়া সেই মূৰ্ত্তিবোৰৰ ইবাদত কৰা আৰম্ভ হ’ল। ছহীহ – এই হাদীছটোক বুখাৰীয়ে বর্ণনা কৰিছে। [ছহীহ] [(বুখাৰী)]

ইবনু আব্বাছ ৰাদ্বিয়াল্লাহু আনহুমাই গুৰুত্বপূর্ণ এই আয়াতটোৰ তাফছীৰ কৰি কৈছে যে, আল্লাহে উল্লেখ কৰা এই উপাস্যবোৰ হৈছে সেইসকল উপাস্য, যিবোৰৰ উপাসনা কৰিবলৈ নূহ সম্প্ৰদায়ে ইজনে সিজনক উপদেশ দিছিল, অথচ সিহঁতৰ নবী নূহ আলাইহিচ্ছালামে ইতিপূৰ্বে সিহঁতক বাৰে বাৰে শ্বিৰ্কৰ পৰা বিৰত থাকিবলৈ কৈ গৈছিল। দৰাচলতে এইবোৰ হৈছে সিহঁতৰ মাজৰ কিছুমান পূণ্যৱান লোকসকলৰ নাম। চয়তানে সিহঁতক কু-মন্ত্রণা দিয়াৰ ফলত সিহঁতে তেওঁলোকৰ বিষয়ে সীমালংঘন আৰম্ভ কৰিলে। আনকি সিহঁতে তেওঁলোকৰ প্ৰতিকৃতি নির্মাণ কৰিলে। অৱশেষত এই প্ৰতিকৃতিবোৰ এটা সময়ত মূৰ্ত্তিত পৰিণত হ’ল, যিবোৰক আল্লাহৰ বাহিৰে ইবাদত কৰা হৈছিল।

http://sunnah.global/hadeeth/as/show/3421